We offer these courses in two variants


1. **Online**
2. **Pen drive**

Online module is accessible through INTERNET where as Pen-drive module is accessible without Internet. In both these modules you also get to access doubt clearing classes conducted Online on every week end. Students also get a panel to ask question and eminent faculties reply them through that.

## What you get?




## Available Courses




To Purchase Visit : http://plutusacademy.com/online-tutor/

For Any Query : Call us at +9718552212, 0120-430-89-58

Email us : info@plutusacademy.com

https://studymaterial.oureducation.in/

http://onlinekhanmarket.com/

https://studymaterial.oureducation.in/ Check Demo http://plutusacademy.com/online-tutor/

# Sample Paper (I) 2017-18

## Subject : Assamese

## Class : X

*Time : 3 hours* *Full marks : 80*

***General Instructions :***

*The question paper divided into four sections.*

*Section-A : Reading (Comprehension)*

*Section-B : Writing*

*Section-C : Grammar*

*Section-D : Literature*

## Section - A

১। তলত দিয়া অনুচ্ছেদটো ভালদৰে পঢ়ি নিৰ্দেশ অনুসৰি উত্তৰ লিখা ঃ

অলিম্পিকৰ ইতিহাস অতি পুৰণি। ইয়াৰ আৰম্ভণি গ্ৰীচ দেশৰ অলিম্পিয়া চহৰত ৭৭৬ খৃষ্ট পূৰ্বত। অলিম্পিয়াৰ অলিম্পিক পাহাৰত গ্ৰীচ দেৱতা জিউচৰ মন্দিৰ অৱস্থিত। এই দেৱতাৰ সন্মানৰ অৰ্থেই মন্দিৰৰ সন্মুখৰ মুকলি পথাৰত আৰম্ভ হৈছিল জাতীয় খেল-ধেমালি প্ৰতিযোগিতা। শান্তিৰ সময়ত প্ৰতি চাৰি বছৰৰ মূৰে মূৰে আৰম্ভ হোৱা এই প্ৰতিযোগিতা এফালে আছিল দেৱতাৰ সন্মান প্ৰদৰ্শনৰ মহা মহোৎসৱ, আনফালে ই আছিল জাতীয় ঐক্য আৰু শান্তিৰ প্ৰতীক। বিজয়ী প্ৰতিযোগীসকলক বঁটা স্বৰূপে দিয়া হৈছিল জলফাই গছৰ একোটা ডাল আৰু শিৰ সুশোভিত কৰা হৈছিল জলফাই গছৰ পাতেৰে সজোৱা একোটা মুকুটেৰে। খৃঃপূঃ ৭৭৬ৰ পৰা খৃষ্টাব্দ ৩৯৬ লৈ একাদিক্ৰমে ১১৭২ বছৰ চলাৰ পাছত এই প্ৰতিযোগিতা সেই দেশৰ সম্ৰাট থিয়ড'চিয়াছে কোনো কাৰণত নিষিদ্ধ কৰি দিয়ে।

কিন্তু মানুহৰ সুন্দৰৰ সাধনাৰ অনিৰুদ্ধ প্ৰেৰণাই অলিম্পিকৰ গৌৰৱময় ঐতিহ্যক চিৰদিনৰ বাবে কালৰ বুকুত বিলীন হৈ যাবলৈ নিদিলে। ইয়াৰ পুনৰুত্থান ঘটিল ১৮৯৬ খৃষ্টাব্দত। সেই বছৰৰ ৬ এপ্ৰিলৰ পৰা ১৫ এপ্ৰিললৈ

https://t.me/joinchat/DPn4Cw9tFSKaDi0PFnXiHA





গ্ৰীচ দেশৰ ৰাজধানী এথেন্স চহৰত অনুষ্ঠিত হয় আধুনিক অলিম্পিক ক্ৰীড়া সমাৰোহ। এয়ে প্ৰথম বিশ্ব অলিম্পিক ক্ৰীড়া সমাৰোহৰ আৰম্ভণি। এই বিশ্ব অলিম্পিকৰ প্ৰতিষ্ঠাতা আছিল ফ্ৰান্সৰ পিয়েৰ দা ফ্ৰেড্ আৰু গ্ৰীচৰ বেৰণ পিয়েৰ দা কুৱাৰটিন। এই সমাৰোহত বিশ্বৰ ১৩খন দেশৰ ৩১১জন ক্ৰীড়া প্ৰতিযোগীয়ে বিশ্ব ইতিহাসৰ কষটি শিলত নাম খোদিত কৰিবলৈ আগবাঢ়ি আহিছিল। তেতিয়াৰে পৰা নিৰৱচ্ছিন্নভাৱে প্ৰতি ৪ বছৰৰ মূৰে মূৰে বিশ্বৰ বিভিন্ন মহানগৰীত এই সমাৰোহ অনুষ্ঠিত হৈ আহিছে। অৱশ্যে ১৯১৬ চনত প্ৰথম মহাসমৰ আৰু ১৯৪০ আৰু ১৯৪৪ চনত দ্বিতীয় মহাসমৰৰ বাবে সমাৰোহ অনুষ্ঠিত হোৱা নাছিল। ২৫তম অলিম্পিক ২০০৪ চনত অলিম্পিকৰ জন্মনগৰী গ্ৰীচৰ এথেন্স চহৰত মহাসমাৰোহেৰে অনুষ্ঠিত হৈ যায়।

বিশ্ব অলিম্পিক ক্ৰীড়া সমাৰোহত এইবোৰ খেল সন্নিৱিষ্ট কৰা হৈছে ঃ এথ্লেটিকছ, জিমনাষ্টিকছ, বেড্‌মিণ্টন, ফুটবল, ভলীবল, হেণ্ডবল, ৰে'ছ বল, বাস্কেট বল, হকী, টেনিছ, টেবুল টেনিছ, আৰ্চাৰী (ধনুৰ্বিদ্যা), মল্লযুদ্ধ, বক্সিং, চাইক্লিং, ছুইমিং (ডাইভিং আৰু ৰাটাৰ পল'সহ), ৰ'য়িং, শ্যুটিং, কেন'য়িং য়টিং, ওৱেট লিফটিং, ইকুৱেষ্ট্ৰিয়ান, ফেন্সিং, জুডো, মৰ্ডান পেণ্টাথ্‌লন।

অলিম্পিকৰ আটাইতকৈ সন্মানজনক আৰু সৰ্বশ্ৰেষ্ঠ দৌৰ প্ৰতিযোগিতা হৈছে মাৰাথন ৰেচ। ইয়াৰ ইতিহাসো বিচিত্ৰ। ইয়াত নিহিত আছে এজন গ্ৰীক যোদ্ধাৰ অফুৰন্ত দেশপ্ৰেমৰো নিদৰ্শন। খৃঃপূঃ ৪৯০ত সংঘটিত হোৱা এখন যুদ্ধত গ্ৰীকসকলে জয়লাভ কৰা গৌৰৱৰ বাতৰিটো মাৰাথন নামৰ ঠাইৰ পৰা এথেন্সলৈ কঢ়িয়াই আনিছিল ফাইডি স্পাইডিছ নামৰ এজন গ্ৰীক যোদ্ধাই। মাৰাথনৰ পৰা এথেন্সৰ দূৰত্ব ২৬ মাইল ৩৮৫ গজ। দৌৰি দৌৰি এই সুদীৰ্ঘ দূৰত্ব অতিক্ৰম কৰি আহি এথেন্সত জয়ৰ বাতৰিটো দিয়াৰ পাছতেই যোদ্ধাজনৰ মৃত্যু হয়। তেওঁৰ স্মৃতি চিৰস্মৰণীয় কৰি ৰখাৰ উদ্দেশ্যেই এই মাৰাথন দৌৰ প্ৰতিযোগিতা অৱতাৰণা কৰা হয়। মাৰাথন দৌৰৰ দূৰত্বও ২৬ মাইল ৩৮৫ গজ।

অলিম্পিকৰ এটি অৰ্থপূৰ্ণ প্ৰতীক আছে। ই পাঁচটা আঙঠিৰ সমষ্টি। প্ৰথম শাৰীত ওচৰা-ওচৰিকৈ তিনিটা আৰু দ্বিতীয় শাৰীত দুটা আঙঠি আছে। দ্বিতীয় শাৰীৰ প্ৰথমটোৱে ওপৰৰ শাৰীৰ প্ৰথম আৰু দ্বিতীয় আঙঠিক আৰু

https://chat.whatsapp.com/FLWzQbGYAIiLNVLlgmptMR

oureducation.in

https://studymaterial.oureducation.in/
Check Demo http://plutusacademy.com/online-tutor/



দ্বিতীয়টোৰে ওপৰৰ দ্বিতীয় আৰু তৃতীয় আঙঠিক সাঙুৰি ৰাখিছে। ওপৰৰ আঙঠি তিনিটাৰ ৰং ক্রমে ঃ নীলা, ক'লা আৰু ৰঙা আৰু তলৰ দুটাৰ ৰং হালধীয়া আৰু সেউজীয়া। প্ৰতীকটোৰ পাঁচটা আঙঠিয়ে পৃথিৱীৰ পাঁচখন মহাদেশক বুজাইছে। ১৯২০ চনত বেল্জিয়ামৰ আণ্টোয়ার্প চহৰত অনুষ্ঠিত অলিম্পিকত প্ৰথমবাৰৰ বাবে এই প্ৰতীক ব্যৱহাৰ কৰা হয়।

অতি প্ৰাচীন কালৰে পৰা জুইক চূড়ান্ত শক্তিৰ প্ৰতীক ৰূপে গণ্য কৰা হৈ আহিছে। অলিম্পিকতো পবিত্ৰ অগ্নিক সাক্ষী কৰি শপত গ্ৰহণ কৰাৰ প্ৰথা প্ৰচলিত আছিল। আধুনিক অলিম্পিকত ১৯২৮ চনত হলেণ্ডৰ আমষ্টাৰডাম ষ্টেডিয়ামত অনুষ্ঠিত সমাৰোহত ইয়াৰ প্ৰথম ব্যৱহাৰ কৰা হয়।

প্ৰশ্ন ঃ ৬×২=১২

ক) অলিম্পিয়া চহৰ কোন দেশত অৱস্থিত? পোনপ্ৰথমে অলিম্পিকত বিজয়ী প্ৰতিযোগীক কি পুৰস্কাৰ দিয়া হৈছিল?

খ) অলিম্পিক প্ৰতিযোগিতা নিষিদ্ধ কৰা সম্ৰাটগৰাকী কোন আছিল? আধুনিক অলিম্পিকৰ পুনৰুত্থান কিমান খ্ৰীষ্টাব্দত ঘটে?

গ) অলিম্পিকৰ প্ৰতীক চিহ্নটো কিহৰ সমষ্টি? এই চিহ্নটো বিশেষভাৱে অৰ্থপূৰ্ণ কিয়?

ঘ) জুইক চূড়ান্ত শক্তিৰ প্ৰতীক বুলি কিমান চনত আৰু কোনখন সমাৰোহত পোনপ্ৰথমে ব্যৱহাৰ কৰা হয়?

ঙ) অলিম্পিকৰ আটাইতকৈ সন্মানজনক প্ৰতিযোগিতা কি? এই প্ৰতিযোগিতাটোত কি নিহিত হৈ আছে?

চ) আধুনিক বিশ্ব অলিম্পিকৰ প্ৰতিষ্ঠাতা কোন আছিল? এই সমাৰোহত বিশ্বৰ কিমানখন দেশে অংশগ্ৰহণ কৰিছিল?

### ব্যাকৰণৰ প্ৰশ্ন

ছ) দফাটোৰ পৰা এটা সৰল বাক্যৰ উদাহৰণ দিয়া। ১

জ) বিপৰীত শব্দ লিখা ঃ প্ৰাচীন। ১





ঝ) "অলিম্পিকৰ ইতিহাস অতি বেছি পুৰণি।" বাক্যটো শুদ্ধকৈ লিখা। ১

## Section - B

২। ক) তলত দিয়া সংকেত বাক্যৰ সহায়ত এটা গল্প লিখা। গল্পটোৰ শিৰোনামা আৰু নীতিশিক্ষা দিবা। ২+৮+২=১২

**সংকেত বাক্য ঃ** চহকী ঘৰৰ সন্তান _______ স্বভাৱ-চৰিত্ৰ বেয়াৰ ফালে ঢাল খালে _______ দেউতাকৰ মনত দুখ _______ ল'ৰাজনক মাতি আনি ভাল আপেল দিলে _______ লগত এটা মাত্ৰ বেয়া আপেল _______ পিছদিনা ল'ৰাজনে দেখিলে _______ গোটেই পাচি আপেল বেয়া হৈছে _______ বুজি পালে _______ এটা মাত্ৰ বেয়া সংগয়ো নিজৰ স্বভাৱ-চৰিত্ৰৰ ওপৰত প্ৰভাৱ পেলায়।

*নাইবা*

খ) যিকোনো এখন ৰচনা লিখা ঃ ১২

১। মহৰম

২। সমাজ সংগঠনত ছাত্ৰৰ কৰ্তব্য।

৩। তোমাৰ বিদ্যালয়ত অনুষ্ঠিত হোৱা সৰস্বতী পূজাৰ বিষয়ে লিখি বাতৰি কাকতত প্ৰকাশৰ বাবে এখনি প্ৰতিবেদন যুগুত কৰা। ৮

৪। তলত দিয়া যিকোনো এটা ফকৰা-যোজনা বুজাই লিখা ঃ ৫

ক) শাকত নাখায় লোণ, পিটিকাত যায় তিনিগুণ।

খ) হৰিণাৰ মাংসই বৈৰী।

*নাইবা*

গ) এইবাৰৰ গৰমৰ বন্ধটো তুমি কেনেদৰে কটাবা তাকে জনাই তোমাৰ বন্ধুলৈ এখন চিঠি লিখা। (চিঠিত তোমাৰ নাম আৰু ঠিকনা সাংকেতিক আখৰত দিবা) ৫

## Section - C

৫। ক) 'উপ' উপসৰ্গৰ ব্যৱহাৰেৰে এটা শব্দ লিখা। ১

https://t.me/joinchat/DPn4Cw9tFSKaDi0PFnXiHA
https://chat.whatsapp.com/FLWzQbGYAIiLNVLlgmptMR
oureducation.in

https://studymaterial.oureducation.in/ Check Demo http://plutusacademy.com/online-tutor/



খ) যিকোনো এটা অনুসৰ্গ উল্লেখ কৰি বাক্যত ব্যৱহাৰ কৰি দেখুওৱা। ১

গ) ক'মা (,) যতিচিন ব্যৱহাৰ কৰি এটা বাক্য লিখা। ১

ঘ) এটা শব্দত প্ৰকাশ কৰা ঃ ১

যি মাটিৰ সাৰ নাই ______

ঙ) বিপৰীত শব্দ লিখা ঃ নিৰ্ম্মল। ১

চ) লিঙ্গ পৰিৱৰ্তন কৰা ঃ নবাব। ১

ছ) শুদ্ধ উত্তৰটো লিখা ঃ ১

মাজ + অলীয়া/অলিয়া/আলিয়া = মজলীয়া

জ) সন্ধি ভাঙা ঃ (যিকোনো দুটাৰ) ১×২=২

সংগীত, নিৰাকাৰ, উৎকৃষ্ট

ঝ) বাক্য শুদ্ধ কৰা ঃ ১×২=২

১। মোৰ মূৰটো বৰকৈ বিষাইছে।

২। নদীত বতাহ আহিছে।

ঞ) বাক্য পৰিৱৰ্তন কৰা ঃ ১×২=২

১। মই যেতিয়া পঢ়োঁ, সি তেতিয়া খেলে। (সৰল বাক্যলৈ)

২। পৃথিৱী ঘূৰণীয়া বুলি সকলোৱে জানে। (মিশ্ৰ বাক্যলৈ)

ট) সমাৰ্থক শব্দ লিখা ঃ (এটাকৈ) ১×২=২

পদুম, ৰাতি।

## Section - D (গদ্য ভাগ)

৬। তলত দিয়া যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ৪×২=৮

ক) "তাৰ আকৌ নিজৰ ওপৰতে খং উঠিল।" কাৰ, কি কাৰণত নিজৰ ওপৰতে খং উঠিল, পাঠৰ আধাৰত বুজাই লিখা।





খ) তাৎপৰ্য ব্যাখ্যা কৰা ঃ

"দেখা যায় সকলোকে বান্ধি থোৱা এনাজৰীডাল আছিল অসমীয়া ভাষা।"

গ) ব্যাখ্যা কৰা ঃ

"সৃষ্টিত সদায় এটি অনাহত ধ্বনি উঠিব লাগিছে।"

ঘ) নিউটনৰ 'প্ৰিন্সিপিয়া' গ্ৰন্থই বৌদ্ধিক মহলত কেনেদৰে খলকনি তুলিছিল চমুকৈ আলোচনা কৰা।

৭। চমু উত্তৰ লিখা ঃ (যিকোনো এটাৰ) ২×১=২

ক) লণ্ডনৰ ৰয়েল ছ'চাইটি কেতিয়া স্থাপন হৈছিল? এই ছ'চাইটিৰ লগত নিউটন কেনেদৰে জড়িত আছিল?

খ) দিনৰ বাৰমান বজাৰ পৰা পবিনৰ মূৰত কি চিন্তাই বাহ লৈছিল? চিন্তাৰ কাৰণ কি আছিল?

গ) অসমৰ পুৰণি সাহিত্যৰ সমলবোৰ কি কি?

ঘ) চমু পৰিচয় দিয়া ঃ কালিদাস।

### (পদ্য ভাগ)

৮। উত্তৰ লিখা ঃ (যিকোনো এটাৰ) ৪×১=৪

ক) ব্যাখ্যা কৰা ঃ

"তোমাৰ চৰণ দুই মোৰ মহা ধন।
ভকত জনেৰ নিজ তুমিসে জীৱন।।"

খ) "সজাৰ মইনাটিৰ অনেক যুগুতি।
দেও মাৰি পাৰ হ'লে এৰিলে পীৰিতি।।" —বুজাই লিখা।

গ) "ব'হাগীৰ বিয়া" কবিতাটিত বিয়াৰ বাবে ব'হাগী আইক কোনে, কেনেদৰে সজাই তুলিছিল চমুকৈ বৰ্ণনা কৰা।

ঘ) "মোৰ দেশ মানুহৰ দেশ" কবিতাটিৰ মূলভাৱ লিখা।

https://t.me/joinchat/DPn4Cw9tFSKaDi0PFnXiHA https://chat.whatsapp.com/FLWzQbGYAIiLNVLlgmptMR

https://studymaterial.oureducation.in/ Check Demo http://plutusacademy.com/online-tutor/



৯। চমু উত্তৰ লিখা ঃ (যিকোনো দুটাৰ) ২×২=৪

ক) “দ্বীপময় ভাৰত” বুলিলে কি বুজা?

খ) চমুটোকা লিখা ঃ ৰঘুনাথ চৌধাৰী।

গ) আজান ফকিৰ কোন আছিল? তেখেতৰ মৃত্যু কোন ঠাইত হৈছিল?

ঘ) মহাপুৰুষ মাধৱদেৱৰ তত্ত্বমূলক ৰচনা দুখনৰ নাম লিখা।

১০। এশাৰীত উত্তৰ লিখা ঃ (যিকোনো দুটাৰ) ১×২=২

ক) ‘মোহপাশ’ মানে কি?

খ) ‘জিকিৰ’ শব্দৰ মূল অৰ্থ কি?

গ) স্তুতি গীত কোনে আৰম্ভ কৰিছিল?

ঘ) ভাৰতবৰ্ষৰ উত্তৰে কি আছে বুলি কবিয়ে কবিতাটিত উল্লেখ কৰিছে?

## (অতিৰিক্ত পাঠ)

১১। উত্তৰ লিখা ঃ (যিকোনো এটাৰ) ২×১=২

ক) “আই ঔ মই যে ইমান ভালপাওঁ জানা।” কথাষাৰ কোনে আৰু কি উদ্দেশ্যত কৈছিল?

খ) প্ৰেৰণাই জিলমিলৰ বাবে কি উপায় ভাবি পোৱাৰ কথা কৈছে? বুজাই লিখা।

১২। এশাৰীত উত্তৰ লিখা ঃ (যিকোনো তিনিটাৰ) ১×৩=৩

ক) বলাইৰ ভাল নাম কি?

খ) প্ৰেৰণাই কিমান টকাৰ বৃত্তি পাইছিল?

গ) সুস্মিতা কোন?

ঘ) ‘শিশু দিৱস’ কোন দিনা পতা হয়?

——×——

https://t.me/joinchat/DPn4Cw9tFSKaDi0PFnXiHA https://chat.whatsapp.com/FLWzQbGYAIiLNVLlgmptMR

oureducation.in

https://studymaterial.oureducation.in/

Check Demo http://plutusacademy.com/online-tutor/

# Sample Paper (II) 2017-18

## Class : X

## Subject : Assamese

*Time : 3 hours* *Full Marks : 80*

***General Instructions :***

***The questions paper divided into four Sections.***

***Section – A : Reading (Comprehension)***

***Section– B : Writing***

***Section– C : Grammar***

***Section– D : Literature***

## [ Section – A ]

১। তলত দিয়া অনুচ্ছেদটো ভালদৰে পঢ়ি নিৰ্দেশ অনুসৰি উত্তৰ লিখা ঃ

নালন্দা বিশ্ববিদ্যালয়ত বেদ, চিকিৎসা আৰু অংকশাস্ত্ৰৰ শিক্ষা দিয়া হৈছিল। এই বিদ্যালয় খ্ৰীষ্টপূৰ্ব এক শতিকাৰ পৰা আঠ খ্ৰীষ্টাব্দলৈকে বৰ্তমান হৈছিল। এই বিশ্ববিদ্যালয়ৰ বাহিৰে-ভিতৰে দহ হাজাৰ ছাত্ৰ আছিল। শীলভদ্ৰ নামে এজন উদাসীন পণ্ডিত এই বিশ্ববিদ্যালয়ৰ বিখ্যাত অধ্যক্ষ আছিল। ইয়াত কোনো খৰচ নোলোৱাকৈ শিক্ষাদান কৰিছিল আৰু ইয়াত ব্যাকৰণ, তৰ্কশাস্ত্ৰ, চিকিৎসাশাস্ত্ৰ, দৰ্শনশাস্ত্ৰ আৰু আধ্যাত্মবিজ্ঞান শিক্ষা দিয়া হৈছিল। ইয়াৰ যিটো পুথিভঁৰাল আছিল সি ভাৰতবৰ্ষৰ সকলো পুথিভঁৰালতকৈ ডাঙৰ আছিল। সেই পুথিভঁৰালটো ন-তলীয়া আছিল আৰু তাৰ নাম আছিল ৰত্নোদধি। শিক্ষাগাৰটোত এশটা কোঠালিত এশটা শ্ৰেণী বহিব পাৰিছিল। এই বিশ্ববিদ্যালয়ৰ ছাত্ৰবিলাক ভাৰতবৰ্ষৰ সকলো ঠাইৰ ছাত্ৰৰ আদৰ্শ আছিল। সাতশ বছৰৰ ভিতৰত এজন ছাত্ৰৰো অশিষ্টাচাৰৰ কথা উল্লেখ নাই। দেশ-বিদেশৰ ছাত্ৰ আহি নালন্দা ভৰি পৰিছিল, কিন্তু তাৰ শিক্ষাৰ আদৰ্শ ইমান ওখ আছিল যে কম ছাত্ৰইহে তাত প্ৰৱেশ লাভ কৰিব





পাৰিছিল। এই বিশ্ববিদ্যালয়ত যেতিয়া চীন দেশৰ পৰিব্ৰাজক য়ুয়ানচ্যাঙে যোগশাস্ত্ৰ পঢ়ে তেতিয়া আমাৰ দেশৰ ৰজা ভাস্কৰ বৰ্মাই তেওঁক এই দেশলৈ আহিবলৈ অনুৰোধ কৰি চিঠি লিখে। নালন্দাৰ বিহাৰৰ ঠাইখন এতিয়া আৰ্কিয়োলজিকেল ডিৰ্পাটমেণ্টে খানি চোৱাত ভাস্কৰ বৰ্মাৰ চিঠিৰ লগত যোৱা পোৱা মাটিৰ মোহৰ পোৱা গৈছে। কোনে ক'ব যে এই মোহৰটো ভাস্কৰ বৰ্মাই য়ুয়ানচ্যাঙক নিমন্ত্ৰণ কৰা পত্ৰৰ মোহৰ নহয়?

প্ৰশ্ন ঃ ৬×২=১২

ক) নালন্দা বিশ্ববিদ্যালয়ৰ পুথিভঁৰালটো কেইতলীয়া আছিল? পুথিভঁৰালটোৰ নাম কি আছিল?

খ) নালন্দা বিশ্ববিদ্যালয়খন কিমান খ্ৰীষ্টাব্দলৈকে বৰ্তমান আছিল? বিশ্ববিদ্যালয়খনৰ ছাত্ৰৰ মুঠ সংখ্যা কিমান আছিল?

গ) যোগশাস্ত্ৰ পঢ়িবলৈ অহা পৰিব্ৰাজক গৰাকীৰ নাম কি আছিল? সেই সময়ৰ আমাৰ দেশৰ ৰজাগৰাকীৰ নাম কি আছিল?

ঘ) বিশ্ববিদ্যালয়ৰ ছাত্ৰসকল কেনেধৰণৰ আছিল? কি কাৰণত কম সংখ্যক ছাত্ৰইহে বিশ্ববিদ্যালয়ত প্ৰৱেশ লাভ কৰিব পাৰিছিল?

ঙ) নালন্দা বিশ্ববিদ্যালয়ত দৰ্শন শাস্ত্ৰৰ শিক্ষা দিয়া হৈছিলনে? সেই সময়ৰ আটাইতকৈ বৃহৎ পুথিভঁৰাল কোনটো আছিল?

চ) নালন্দা বিশ্ববিদ্যালয়ত অধ্যক্ষতা কৰা এগৰাকী বিখ্যাত অধ্যক্ষৰ নাম লিখা। এই বিশ্ববিদ্যালয়ৰ শিক্ষাগাৰটোত কেইটা শ্ৰেণী একেলগে বহিব পাৰিছিল?

### [ ব্যাকৰণৰ প্ৰশ্ন ]

ছ) "খ্ৰীষ্টাব্দলৈকে" শব্দটোত কি অনুসৰ্গ যোগ হৈছে? ১

জ) 'ৰজা' শব্দটিৰ এটি সমাৰ্থক শব্দ লিখা। ১

ঝ) দফাটিৰ পৰা এটা উপসৰ্গযুক্ত শব্দ বিচাৰি লিখা। ১

https://t.me/joinchat/DPn4Cw9tFSKaDi0PFnXiHA

https://chat.whatsapp.com/FLWzQbGYAIiLNVLlgmptMR

https://studymaterial.oureducation.in/
Check Demo http://plutusacademy.com/online-tutor/



## [ Section – B ]

২। ক) তলত দিয়া সংকেত বাক্যৰ সহায়ত এটা গল্প ৰচনা কৰা। গল্পটোৰ শিৰোনামা আৰু নীতিশিক্ষা দিবা। ২+৮+২=১২

**সংকেত বাক্য ঃ** নদীৰ ওপৰত দলং ____ মুখত এটুকুৰা মঙহ লৈ এটা কুকুৰ ____ নদী পাৰ হ'বৰ বাবে দলঙত উঠিল ____ পানীৰ তলত মঙহ লৈ আন এটা কুকুৰ ____ আন টুকুৰ মঙহৰ লোভত সি ভুকিবলৈ ধৰিলে ____ মুখৰ মঙহ সৰি পৰিল।

*নাইবা*

খ) যিকোনো এখন ৰচনা লিখা ঃ ১২

১) অসমৰ জাতীয় উৎসৱ

২) সময়ৰ মূল্য।

৩। তোমাৰ বিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা বাৰ্ষিক খেল-ধেমালিখনৰ বিষয়ে বাতৰি কাকতত প্ৰকাশৰ বাবে এখনি প্ৰতিবেদন যুগুত কৰা। ৮

৪। তলত দিয়া যিকোনো এটা ফকৰা-যোজনা বুজাই লিখা ঃ ৫

ক) উদক ভেটা ৰখীয়া পাতা।

খ) উলুৰ লগত বগৰী পোৱা যোৱা।

*নাইবা*

খ) তোমাৰ পৰীক্ষাৰ প্ৰস্তুতিৰ বিষয়ে জনাই তোমাৰ দেউতাৰালৈ এখন চিঠি লিখা। (চিঠিত তোমাৰ নাম আৰু ঠিকনা সাংকেতিক চিনত লিখিবা।)

## [ Section – C ]

৫। ক) 'পৰা' উপসৰ্গৰ ব্যৱহাৰেৰে এটা শব্দ লিখা। ১

খ) যিকোনো এটা অনুসৰ্গৰ উল্লেখ কৰি বাক্যত ব্যৱহাৰ কৰা। ১





গ) উপযুক্ত স্থানত যতিচিন ব্যৱহাৰ কৰা ঃ

বুজিলোঁ মা তোমালোকে মোক সদায় প্ৰেৰণা দি থাকিবা ১

ঘ) এটা শব্দত প্ৰকাশ কৰা ঃ ১

যি ঘটনা আগেয়ে ঘটা নাই।

ঙ) বিপৰীত শব্দ লিখা— ঘৰচীয়া। ১

চ) লিঙ্গ পৰিৱৰ্তন কৰা— বন্দী। ১

ছ) শুদ্ধ উত্তৰটো লিখা ঃ ১

চহৰ + অৰিয়া / আৰীয়া / অৰীয়া = চহৰীয়া

জ) সন্ধি ভাঙা ঃ (যিকোনো দুটাৰ) ১×২=২

নমস্কাৰ, বিচ্ছেদ, তদুপৰি।

ঝ) বাক্য পৰিৱৰ্তন কৰা ঃ ১×২=২

১) নিয়মমতে খোৱা-বোৱা কৰিবা তেহে স্বাস্থ্য ভালে থাকিব। (জটিল বাক্যলৈ)

২) পৰিশ্ৰম কৰিলেহে উন্নতি কৰিব পাৰিবা। (যৌগিক বাক্যলৈ)

ঞ) সমাৰ্থক শব্দ লিখা ঃ (এটাকৈ) ১×২=২

জুই, হাতী

ট) তলত দিয়া বাক্য দুটা শুদ্ধকৈ লিখা ঃ ১×২=২

১) তুমি অহা দেখি কৰিলা।

২) মই, তেওঁ আৰু তুমি গৈছিলা।

## [ Section – D ] (গদ্য ভাগ)

৬। তলত দিয়া যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ৪×২=৮

ক) "মূল্যবোধ" গল্পটোৰ কাহিনীভাগৰ সৈতে "মূল্যবোধ" নামটো উচিত হৈছেনে নাই বিচাৰ কৰা।

https://t.me/joinchat/DPn4Cw9tFSKaDi0PFnXiHA
https://chat.whatsapp.com/FLWzQbGYAIiLNVLlgmptMR

https://studymaterial.oureducation.in/
Check Demo http://plutusacademy.com/online-tutor/



খ) সোতৰ শতিকাৰ কেইটামান উল্লেখযোগ্য বৈজ্ঞানিক মাইলৰ খুঁটিৰ কথা চমুকৈ উল্লেখ কৰা।

গ) 'আত্মাৰ ফলক কাঁচত প্ৰতিফলিত হ'ব নোৱাৰা সৃষ্টিত কোনো সূক্ষ্মতম পদাৰ্থই নাই।' ব্যাখ্যা কৰা।

ঘ) "অসমৰ বৈচিত্ৰপূৰ্ণ জনগোষ্ঠীৰ গাঁথনিতে অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য ৰক্ষা পৰিছে।" কথাষাৰ বুজাই লিখা।

৭। চমু উত্তৰ লিখা ঃ (যিকোনো এটাৰ) ২×১=২

ক) কালিদাসৰ প্ৰতিভাই আমাক কি গভীৰ সত্য উপলব্ধি কৰিবলৈ সুযোগ দিলে? বুজাই লিখা।

খ) ছাৰক খুৱাবলৈ পৰিনৰ দেউতাকে মনে মনে কি ব্যৱস্থা কৰিছিল?

গ) শিক্ষা লাভৰ কালছোৱাত নিউটন কেনে ধৰণৰ পৰিস্থিতিৰ সন্মুখীন হৈছিল বুজাই লিখা।

ঘ) চাহ উদ্যোগৰ কৰ্মীসকল কোন? তেওঁলোক ক'ৰ পৰা অসমলৈ আহিছিল?

## (পদ্য ভাগ)

৮। উত্তৰ লিখা ঃ (যিকোনো এটাৰ) ৪×১=৪

ক) "সনক সনন্দ যোগী যাহাকু ধিয়ায়
সকল নিগমে যাক বিচাৰি নাপায়।" তাৎপৰ্য বিচাৰ কৰা।

খ) ব'হাগীৰ বিয়া উপলক্ষে প্ৰকৃতি জগতৰ কেনেধৰণৰ পৰিৱৰ্তন হৈছে? বুজাই লিখা।

গ) "মোৰ দেশ মানুহৰ দেশ" কবিতাটোত ভাৰতবৰ্ষত বিভিন্নতাৰ মাজত ঐক্য কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা।

ঘ) ব্যাখ্যা কৰা ঃ
পানী মৰে পিয়াহত, অগ্নি মৰে জাৰত।
খোদা ৰছুল লুকাই আছে, মোমিনৰ আঁৰত।।

https://t.me/joinchat/DPn4Cw9tFSKaDi0PFnXiHA





৯। চমু উত্তৰ লিখা ঃ (যিকোনো দুটাৰ) ২×২=৪

ক) 'জিকিৰ' শব্দটো ক'ৰ পৰা ওলাইছে?
জিকিৰবোৰক কিহৰ লগত তুলনা কৰিব পাৰি?

খ) শ্ৰীশ্ৰীমাধৱদেৱে ৰচনা কৰা দুখন ঝুমুৰাৰ নাম লিখা।

গ) চমুটোকা লিখা —— ওজাপালি।

ঘ) পলাশীৰ যুদ্ধ কাৰ কাৰ মাজত হৈছিল?
এইখন যুদ্ধত কোনে জয়লাভ কৰিছিল?

১০। এশাৰীত উত্তৰ লিখা ঃ (যিকোনো দুটাৰ) ১×২=২

ক) 'ওঙ্কাৰ ধাম' শব্দৰ দ্বাৰা কি বুজাব বিচাৰিছে।

খ) মঙ্গল উৰুলি কোনে দিছিল?

গ) "ৰছুল" মানে কি?

ঘ) বৰগীতৰ এটা লক্ষণ লিখা।

## (অতিৰিক্ত পাঠ)

১১। উত্তৰ লিখা ঃ (যিকোনো এটাৰ) ২×১=২

ক) "উলাহতে তাই কেইবাটাও লস্‌কৰা
খাই পেলালে।" কথাষাৰ বুজাই লিখা।

খ) "মাক এইবাৰ স্তম্ভিত হোৱাৰ পাল।"
ইয়াত স্তম্ভিত হ'ব লগা পৰিস্থিতিটো কি আছিল?

১২। এশাৰীত উত্তৰ লিখা ঃ (যিকোনো তিনিটাৰ) ১×৩=৩

ক) জিল্‌মিল কোন?

খ) বলাইয়ে গাঁৱত লগৰীয়াৰ লগত কি টেঙা খাইছিল?

গ) সৌৰভ মানে কি?

ঘ) প্ৰেৰণাক স্থানীয় বিধায়কে বৃত্তিৰ চেক্‌খন কিয় দিছিল?

—— × ——

https://chat.whatsapp.com/FLWzQbGYAIiLNVLlgmptMR